# 2021

( Held in 2022 )

## ECONOMICS

Paper : ECO–HC–5016

**( Indian Economy—I )**

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) What is demographic dividend?

জনতাত্ত্বিক লভ্যাংশ কি ?

(b) Define absolute poverty.

চৰম দৰিদ্ৰতাৰ সংজ্ঞা দিয়া ।

(c) Give one example of social capital.

সামাজিক মূলধনৰ এটা উদাহৰণ দিয়া ।

*(d)* What is the objective of National Rural Health Mission (NRHM)?

ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য মিছনৰ উদ্দেশ্য কি ?

*(e)* Define gross enrolment rate.

মুঠ তালিকাভুক্তিৰ হাৰৰ সংজ্ঞা দিয়া ।

*(f)* In which year was NITI Aayog set up?

কোন চনত নীতি আয়োগ গঠন কৰা হৈছিল ?

*(g)* Mention one drawback of Mahatma Gandhi National Rural Employment Guarantee Act or MGNREGA.

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ সুনিশ্চিতকৰণ আইন (MGNREGA)ৰ এটা ত্ৰুটি লিখা ।

*(h)* What is Aatmanirbhar Bharat?

আত্মনিৰ্ভৰ ভাৰত কি ?

*(i)* Great Leap Forward Programme relates to which country?

মহান অগ্ৰগামী পদক্ষেপণ আঁচনি কোনখন দেশৰ লগত জৰিত ?

*(j)* Give one reason of improvement in female literacy in India.

ভাৰতৰ মহিলা স্বাক্ষৰতা উন্নতি হোৱাৰ এটা কাৰণ লিখা ।





**2.** Answer the following questions : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* What is human capital?

মানৱ মূলধন কি ?

*(b)* Write two recent features of India's age composition.

ভাৰতৰ জনসংখ্যাৰ বয়সৰ গাঁথনিৰ সাম্প্ৰতিক বৈশিষ্ট্য দুটা লিখা ।

*(c)* What is human development index?

মানৱ উন্নয়ন সূচক কি ?

*(d)* Give two factors which are responsible for increase in the growth of savings in India.

ভাৰতৰ সঞ্চয়ৰ হাৰ বৃদ্ধিক প্ৰভাৱিত কৰা দুটা কাৰক উল্লেখ কৰা ।

*(e)* Mention two causes of gender inequality in India.

ভাৰতৰ লিংগ বৈষম্যৰ দুটা কাৰণ উল্লেখ কৰা ।

(d) What is the objective of National Rural Health Mission (NRHM)?

ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য মিছনৰ উদ্দেশ্য কি ?

(e) Define gross enrolment rate.

মুঠ তালিকাভুক্তিৰ হাৰৰ সংজ্ঞা দিয়া ।

(f) In which year was NITI Aayog set up?

কোন চনত নীতি আয়োগ গঠন কৰা হৈছিল ?

(g) Mention one drawback of Mahatma Gandhi National Rural Employment Guarantee Act or MGNREGA.

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ সুনিশ্চিতকৰণ আইন (MGNREGA)ৰ এটা ত্ৰুটি লিখা ।

(h) What is Aatmanirbhar Bharat?

আত্মনিৰ্ভৰ ভাৰত কি ?

(i) Great Leap Forward Programme relates to which country?

মহান অগ্ৰগামী পদক্ষেপণ আঁচনি কোনখন দেশৰ লগত জৰিত ?

(j) Give one reason of improvement in female literacy in India.

ভাৰতৰ মহিলা স্বাক্ষৰতা উন্নতি হোৱাৰ এটা কাৰণ লিখা ।





**2.** Answer the following questions : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) What is human capital?

মানৱ মূলধন কি ?

(b) Write two recent features of India's age composition.

ভাৰতৰ জনসংখ্যাৰ বয়সৰ গাঁথনিৰ সাম্প্ৰতিক বৈশিষ্ট্য দুটা লিখা ।

(c) What is human development index?

মানৱ উন্নয়ন সূচক কি ?

(d) Give two factors which are responsible for increase in the growth of savings in India.

ভাৰতৰ সঞ্চয়ৰ হাৰ বৃদ্ধিক প্ৰভাৱিত কৰা দুটা কাৰক উল্লেখ কৰা ।

(e) Mention two causes of gender inequality in India.

ভাৰতৰ লিংগ বৈষম্যৰ দুটা কাৰণ উল্লেখ কৰা ।

**3.** Answer any *four* questions from the following : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write briefly the features of Indian economy at the time of independence.

স্বাধীনতাৰ সময়ত ভাৰতীয় অৰ্থনীতিৰ বৈশিষ্ট্যসমূহ চমুকৈ বৰ্ণনা কৰা।

(b) Discuss the important reasons for persistent poverty in India.

ভাৰতৰ ক্ৰমাগত দাৰিদ্ৰৰ গুৰুত্বপূৰ্ণ কাৰণসমূহ আলোচনা কৰা।

(c) What are the major initiatives of the government to strengthen India's health system?

ভাৰতৰ স্বাস্থ্য ব্যৱস্থা শক্তিশালী কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা উদ্যোগসমূহ কি কি?

(d) Write the major causes of malnutrition in rural areas of India.

ভাৰতৰ গ্ৰাম্য অঞ্চলৰ অপুষ্টিৰ মুখ্য কাৰণসমূহ লিখা।

(e) Explain the major development strategies of China.

চীনৰ মুখ্য উন্নয়ন কৌশলসমূহ বৰ্ণনা কৰা।





(f) Mention some of the social measures for solving the problem of population explosion in India.

ভাৰতৰ জনবিস্ফোৰণ সমস্যা সমাধান কৰিবলৈ কিছুমান সামাজিক ব্যৱস্থা উল্লেখ কৰা।

**4.** Answer any *four* questions from the following : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Explain the structural changes that have occurred in India during the Plan period.

পৰিকল্পনাৰ কালছোৱাত ভাৰতত ঘটা কাঠামোগত পৰিবৰ্ত্তনসমূহ ব্যাখ্যা কৰা।

(b) Analyze the trend of saving and investment of India after economic reforms.

ভাৰতৰ অৰ্থনৈতিক সংস্কাৰৰ পিছত সঞ্চয় আৰু বিনিয়োগৰ গতিধাৰা বৰ্ণনা কৰা।

(c) Explain the relationship between population growth and economic development in the light of India's planned experience.

জনসংখ্যা বৃদ্ধি আৰু অৰ্থনৈতিক উন্নয়নৰ মাজৰ সম্পৰ্কটো ভাৰতৰ পৰিকল্পনাৰ লগত সঙ্গতি ৰাখি ব্যাখ্যা কৰা।

*(d)* What is sustainable development? Explain the environment friendly policies that have been adopted by the government to mitigate climate change.

বহনক্ষম উন্নয়ন কি ? জলবায়ু পৰিবৰ্তন প্ৰশমিত কৰিবলৈ ভাৰত চৰকাৰে গ্ৰহণ কৰা পৰিৱেশ অনুকূল আঁচনিসমূহ ব্যাখ্যা কৰা।

*(e)* Explain the current state of primary education in India.

ভাৰতৰ প্ৰাথমিক শিক্ষাৰ বৰ্তমান অৱস্থাটো বৰ্ণনা কৰা।

*(f)* Discuss the different policies adopted by the government of India to combat poverty.

দাৰিদ্ৰতা নিৰ্মূল কৰিবলৈ ভাৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহ আলোচনা কৰা।

*(g)* Explain the causes of overall unemployment problem in India. Mention some of the recent measures taken by the government to create new employment opportunities.

ভাৰতৰ নিবনুৱা সমস্যাৰ সামগ্ৰিক কাৰণসমূহ বৰ্ণনা কৰা। নিয়োগৰ নতুন সুযোগ সৃষ্টি কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা সাম্প্ৰতিক ব্যৱস্থাসমূহ উল্লেখ কৰা।





*(h)* Give a comparative study of India, China and Pakistan with respect to demographic parameters and GDP growth rate.

জনতাত্ত্বিক সূচক আৰু মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ ভিত্তিত ভাৰত, চীন আৰু পাকিস্থানৰ মাজত এটা তুলনামূলক অধ্যয়ন দাঙি ধৰা।

★★★

# 2021

( Held in 2022 )

## ECONOMICS

Paper : ECO–HC–5026

**( Development Economics—I )**

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ দিয়া :

(a) Mention a measure of development to study international variation.

উন্নয়নৰ আন্তঃৰাষ্ট্ৰীয় পৰিৱৰ্তন মাপৰ বাবে ব্যৱহাৰ কৰা এটা সূচক উল্লেখ কৰা।

(b) According to the UNDP Report, 2020, India's rank in HDI is

UNDPৰ ২০২০ৰ প্ৰতিবেদনত, মানৱ সম্পদ উন্নয়ন সূচক (HDI)ৰ তালিকাত ভাৰতবৰ্ষৰ স্থান হ'ল

(i) 129
১২৯

(ii) 130
১৩০

(iii) 131
১৩১

(iv) None of the above
ওপৰৰ এটাও নহয়

( Choose the correct answer )
( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(c) What is endogeneous growth model?

আভ্যন্তৰীণ বিকাশ আৰ্হি কি ?

(d) Why is the Harrod-Domar model called a neutral theory of economic growth?

হেৰড-ড'মাৰৰ আৰ্হিটো কিয় অৰ্থনৈতিক বিকাশৰ নিৰপেক্ষ তত্ত্ব বুলি কোৱা হয় ?





(e) What is poverty line?

দৰিদ্ৰতাৰ সীমাৰেখা কি ?

(f) Is long-run growth possible in Solow model?

চ'লৰ আৰ্হিত দীৰ্ঘকালীন বিকাশ সম্ভৱনে ?

(g) What is steady state in Solow model?

চ'লৰ আৰ্হিত নিয়মিত অৱস্থা কি ?

(h) What is inequality?

অসমতা কি ?

(i) What is the main function of a political institution?

এটা ৰাজনৈতিক অনুষ্ঠানৰ প্ৰধান কাৰ্য কি ?

(j) What do you mean by democracy?

গণতন্ত্ৰ বুলিলে কি বুজা ?

2. Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Write two limitations of GDP as a measure of economic development.

অৰ্থনৈতিক উন্নয়নৰ মাপ হিচাপে মুঠ ঘৰুৱা উৎপাদনৰ দুটা সীমাবদ্ধতা উল্লেখ কৰা ।

*(b)* What is Gini coefficient?

গিনি সহগ কি ?

*(c)* Write two characteristics of the poor.

দৰিদ্ৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

*(d)* Distinguish between growth and development.

বিকাশ আৰু উন্নয়নৰ পাৰ্থক্য লিখা ।

*(e)* What is poverty trap?

দৰিদ্ৰতাৰ ফান্দ কি ?

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

*(a)* Write briefly the measures of development.

উন্নয়নৰ মাপসমূহ চমুকৈ লিখা ।

*(b)* What is the basis of Solow's growth model?

চ'লৰ বিকাশৰ আৰ্হিৰ ভিত্তি কি ?





*(c)* Explain briefly the inequality axioms.

অসমতাৰ স্বীকাৰ্যবোৰ চমুকৈ লিখা ।

*(d)* Distinguish between absolute poverty and relative poverty.

চূড়ান্ত দৰিদ্ৰতা আৰু আপেক্ষিক দৰিদ্ৰতাৰ মাজৰ পাৰ্থক্য লিখা ।

*(e)* How do poverty and inequality affect development?

দৰিদ্ৰতা আৰু অসমতাই উন্নয়নত কিদৰে প্ৰভাৱ পেলায় ?

*(f)* Explain briefly the role of government to eradicate corruption.

দুৰ্নীতি নিবাৰণত চৰকাৰৰ ভূমিকা চমুকৈ বৰ্ণনা কৰা ।

4. Answer the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

*(a)* Discuss the international variation among different measures of development.

উন্নয়নৰ মাপসমূহৰ মাজত আন্তঃৰাষ্ট্ৰীয় প্ৰভেদ ব্যাখ্যা কৰা ।

*Or / অথবা*

Explain briefly the development trajectories across developing nations and make a comparison between them.

উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ উন্নয়নৰ গতিধাৰাৰ তুলনামূলক ব্যাখ্যা চমুকৈ আগবঢ়োৱা।

*(b)* Explain briefly the Harrod-Domar model of growth.

হেৰড-ড'মাৰৰ বিকাশৰ আৰ্হিটো চমুকৈ ব্যাখ্যা কৰা।

*Or / অথবা*

Explain briefly the growth process of a developing economy.

উন্নয়নশীল অৰ্থনীতিৰ বিকাশ প্ৰক্ৰিয়া চমুকৈ বৰ্ণনা কৰা।

*(c)* Explain the relationship between inequality and development.

অসমতা আৰু উন্নয়নৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা।

*Or / অথবা*

"Rich are getting richer and poor are getting poorer." Discuss the statement.

''ধনীসকল ধনী আৰু দুখীয়াবোৰ দুখীয়া হৈ গৈ আছে।'' উক্তিটো ব্যাখ্যা কৰা।





*(d)* Discuss briefly the determinants of democracy.

গণতন্ত্ৰৰ উপাদানসমূহ চমুকৈ ব্যাখ্যা কৰা।

*Or / অথবা*

Discuss the differences in the functioning of State institutions within a country.

এখন দেশৰ চৰকাৰী অনুষ্ঠানবোৰৰ কাৰ্যাৱলীৰ পাৰ্থক্যবোৰ ব্যাখ্যা কৰা।

★★★

# 2021

( Held in 2022 )

## ECONOMICS

Paper : ECO–HE–5026

**( Money and Financial Markets )**

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions : 1×10=10

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Define money.

মুদ্ৰাৰ সংজ্ঞা দিয়া।

(b) State the RBI's approach to money supply.

মুদ্ৰাৰ যোগানৰ ক্ষেত্ৰত RBIৰ ধাৰণাটো উল্লেখ কৰা।

(c) Mention one character of money market.

মুদ্ৰা বজাৰৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(d) Distinguish between primary market and secondary market.

প্ৰাথমিক বজাৰ আৰু গৌণ বজাৰৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

(e) What is bank rate?

বেংকৰ হাৰ কি?

(f) What are financial derivatives?

বিত্তীয় আহৰকসমূহ কি কি?

(g) Define treasury bill market.

ৰাজকোষীয় বিল বজাৰৰ সংজ্ঞা দিয়া।

(h) Mention one source of interest rate differential.

সুদৰ হাৰৰ পাৰ্থক্যৰ এটা উৎস উল্লেখ কৰা।

(i) Why is the Central Bank called lender of last resort?

কেন্দ্ৰীয় বেংকক কিয় শেষ ত্ৰাণকৰ্তাৰ বেংক বুলি কোৱা হয়?





(j) What is cash reserve ratio?

নগদ সংৰক্ষণ অনুপাত কি?

2. Write short answers of the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) Distinguish between money market and capital market.

মুদ্ৰা বজাৰ আৰু মূলধন বজাৰৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰা।

(b) Write two roles of financial institutions.

বিত্তীয় অনুষ্ঠানসমূহৰ দুটা ভূমিকা লিখা।

(c) Mention two characteristics of a developed money market.

উন্নত মুদ্ৰা বজাৰ এখনৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(d) State any two major financial sector reforms in India initiated recently.

সাম্প্ৰতিক সময়ত ভাৰতত গ্ৰহণ কৰা যি কোনো দুটা প্ৰধান বিত্তীয় খণ্ডৰ সংস্কাৰ উল্লেখ কৰা।

*(e)* Mention any two functions of money.

মুদ্ৰাৰ যি কোনো দুটা কাৰ্য উল্লেখ কৰা।

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Define stock exchange market. Explain the main functions of stock exchange market.

পুঁজি বিনিময় বজাৰৰ সংজ্ঞা দিয়া। পুঁজি বিনিময় বজাৰৰ প্ৰধান কাৰ্যসমূহ ব্যাখ্যা কৰা।

*(b)* Write a note on repo rates of RBI.

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৰেপ' ৰেটৰ ওপৰত এটা টোকা লিখা।

*(c)* Explain the features of financial derivatives.

বিত্তীয় আহৰকসমূহৰ বৈশিষ্টসমূহ ব্যাখ্যা কৰা।

*(d)* Discuss the role of money in the modern economy.

আধুনিক অৰ্থ-ব্যৱস্থাত মুদ্ৰাৰ ভূমিকা আলোচনা কৰা।





*(e)* What is the importance of a discount market? Is it necessary to have such a market for an effective money market?

ৰেহাই বজাৰৰ গুৰুত্ব কি? এখন দক্ষ মুদ্ৰা বজাৰত ৰেহাই বজাৰৰ গুৰুত্ব আছেনে?

*(f)* Explain the types of money market.

মুদ্ৰা বজাৰৰ প্ৰকাৰসমূহ ব্যাখ্যা কৰা।

**4.** Answer the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

*(a)* Explain the money multiplier theory. 10

মুদ্ৰাৰ গুণক তত্ত্বটো ব্যাখ্যা কৰা।

*Or / অথবা*

What is meant by capital market? Discuss the functions and importance of capital market. 1+5+4=10

মূলধন বজাৰ কি? মূলধন বজাৰৰ কাৰ্যসমূহ আৰু গুৰুত্ব ব্যাখ্যা কৰা।

(b) What is meant by term structure of interest rates? Explain the expectations theory of term structure of interest rates. 2+8=10

সুদৰ হাৰৰ কালগত গাঁথনি মানে কি বুজা যায়? সুদৰ হাৰৰ কালগত গাঁথনিৰ প্ৰত্যাশিত তত্ত্বটো ব্যাখ্যা কৰা।

*Or* / অথবা

Write a note on banking sector reforms in India. 10

ভাৰতৰ বেংক খণ্ডৰ সংস্কাৰবোৰৰ ওপৰত এটা টোকা লিখা।

(c) Explain the assets and liabilities of commercial bank. 5+5=10

বাণিজ্যিক বেংকৰ সম্পত্তি আৰু দেনাৰ শিতানসমূহ ব্যাখ্যা কৰা।

*Or* / অথবা

Describe the process of credit creation of commercial bank. Point out two limitations of the process of credit creation. 8+2=10

বাণিজ্যিক বেংকৰ ঋণ সৃষ্টিৰ প্ৰক্ৰিয়া বৰ্ণনা কৰা। ঋণ সৃষ্টিৰ প্ৰক্ৰিয়াৰ দুটা সীমাবদ্ধতা আঙুলিয়াই দিয়া।





(d) Define monetary policy. Discuss the objectives of monetary policy. 2+8=10

মুদ্ৰাগত নীতিৰ সংজ্ঞা দিয়া। মুদ্ৰাগত নীতিৰ উদ্দেশ্যসমূহ আলোচনা কৰা।

*Or* / অথবা

What is full employment? Explain the trade-off between full employment and economic growth. 2+8=10

পূৰ্ণ নিয়োগ কি? পূৰ্ণ নিয়োগ আৰু অৰ্থনৈতিক উন্নয়নৰ সংঘাত ব্যাখ্যা কৰা।

★ ★ ★

**2021**

( Held in 2022 )

ECONOMICS

Paper : ECO–HE–5036

**( Public Finance )**

( Honours Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following questions : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* What is regressive taxation?

ক্ৰমহ্ৰাসমান কৰ ব্যৱস্থা কি ?

*(b)* Mention one significance of public finance in modern economy.

আধুনিক অৰ্থনীতিত ৰাজস্ব অৰ্থবিজ্ঞানৰ এটা তাৎপৰ্য উল্লেখ কৰা।

*(c)* Define benefit principle of taxation.

কৰ ব্যৱস্থাৰ সুবিধা তত্ত্বটোৰ সংজ্ঞা দিয়া।

*(d)* What is tax rate?

কৰৰ হাৰ কি?

*(e)* Give one example of merit goods.

উত্তম গুণমানক দ্ৰব্যৰ এটা উদাহৰণ দিয়া।

*(f)* What is primary deficit?

প্ৰাথমিক ঘাটি কি?

*(g)* Define deficit budget.

ঘাটি বাজেটৰ সংজ্ঞা দিয়া।





*(h)* Mention one difference of public and private goods.

ৰাজহুৱা আৰু ব্যক্তিগত দ্ৰব্যৰ মাজত এটা পাৰ্থক্য লিখা।

*(i)* Under which Article of the Indian Constitution the Financial Commission was set up?

ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদৰ আধাৰত বিত্ত আয়োগ গঠন কৰা হৈছিল?

*(j)* Write one source of local finance.

স্থানীয় বিত্ত সংগ্ৰহৰ এটা উৎস লিখা।

**2.** Answer the following questions : $2 \times 5 = 10$

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

*(a)* Mention two externalities of public goods.

ৰাজহুৱা দ্ৰব্যৰ দুটা বাহ্যিকতা উল্লেখ কৰা।

*(b)* Write two disadvantages of indirect tax.

পৰোক্ষ কৰৰ দুটা অসুবিধা লিখা।

(c) What is fiscal decentralization?

ৰাজকোষীয় বিকেন্দ্ৰীকৰণ কি ?

(d) Write the concept of public goods and market failure.

ৰাজহুৱা দ্ৰব্য আৰু বজাৰ ব্যৰ্থতাৰ ধাৰণাটো লিখা ।

(e) What are the components of a government budget?

চৰকাৰী বাজেটৰ উপাদানসমূহ কি কি ?

**3.** Answer any *four* from the following questions : 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) What are the objectives of fiscal policy in India?

ভাৰতৰ ৰাজকোষীয় নীতিৰ উদ্দেশ্যসমূহ কি কি ?

(b) Point out the merits of proportional and progressive taxation.

আনুপাতিক আৰু ক্ৰমবৰ্ধমান কৰৰ সুবিধাসমূহ উল্লেখ কৰা ।





(c) Distinguish between tax buoyancy and tax elasticity.

কৰৰ প্ৰৱতা আৰু কৰৰ স্থিতিস্থাপকতাৰ মাজত পাৰ্থক্য লিখা ।

(d) Explain the concept of horizontal and vertical balance.

অনুভূমিক আৰু উলম্ব সমতাৰ ধাৰণাটো ব্যাখ্যা কৰা ।

(e) Write a note on goods and service tax.

দ্ৰব্য আৰু সেৱা কৰৰ ওপৰত এটি টোকা লিখা ।

(f) Explain the functions of Finance Commission of India.

ভাৰতৰ বিত্ত আয়োগৰ কাৰ্যাৱলীবোৰ বৰ্ণনা কৰা ।

**4.** Answer any *four* from the following questions : 10×4=40

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Discuss the allocation function, distribution function and stabilization function of public finance.

ৰাজস্ব অৰ্থবিজ্ঞানৰ সঞ্চালনমূলক কাৰ্য্য, বিতৰণমূলক কাৰ্য আৰু সুস্থিৰতাৰ কাৰ্য আলোচনা কৰা ।

*(b)* What are public goods? Explain the important characteristics of public goods.

ৰাজহুৱা দ্ৰব্যবোৰ কি? ৰাজহুৱা দ্ৰব্যৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা।

*(c)* Critically discuss the ability to pay theory of taxation.

কৰ প্ৰদান সামৰ্থ্যৰ নীতিটো সমালোচনা সহকাৰে ব্যাখ্যা কৰা।

*(d)* Discuss the various reforms in the indirect tax structure of Indian tax system.

ভাৰতীয় কৰ ব্যৱস্থাৰ পৰোক্ষ কৰত ঘটা বিভিন্ন সংস্কাৰসমূহৰ বিষয়ে আলোচনা কৰা।

*(e)* Explain the various instruments of fiscal policy in India.

ভাৰতৰ ৰাজকোষীয় নীতিৰ বিভিন্ন আহিলাসমূহ বৰ্ণনা কৰা।

*(f)* Broadly discuss the subject matter and scope of public finance.

ৰাজস্ব অৰ্থবিজ্ঞানৰ বিষয়বস্তু আৰু পৰিসৰৰ বিষয়ে বহলকৈ ব্যাখ্যা কৰা।





*(g)* What is federal finance? Explain the various principles of federal finance.

যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থা কি? যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ নীতিসমূহ বৰ্ণনা কৰা।

*(h)* Explain the roles of Municipalities and Gaon Panchayats in India.

ভাৰতত পৌৰসভা আৰু গাওঁ পঞ্চায়তৰ ভূমিকাসমূহ বৰ্ণনা কৰা।

★★★

**2 0 2 1**

( Held in 2022 )

# ECONOMICS

Paper : ECO–RE–5016

**( Economic Development and Policy in India—I )**

( Regular Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) What is meant by economic growth?

অৰ্থনৈতিক বিকাশ বুলিলে কি বুজা ?

(b) What is human capital?

মানৱ মূলধন কি ?

(c) What is meant by underdeveloped economy?

অনুন্নত অৰ্থনীতি বুলিলে কি বুজা ?

(d) Give an example of disguised unemployment.

ছদ্মবেশী নিবনুৱাৰ এটা উদাহৰণ দিয়া ।

(e) Define savings.

সঞ্চয়ৰ সংজ্ঞা দিয়া ।

(f) What is rural unemployment?

গ্ৰাম্য নিবনুৱা কি ?

(g) Give an example of service sector.

সেৱা খণ্ডৰ এটা উদাহৰণ দিয়া ।

(h) What is inequality?

অসমতা মানে কি ?

(i) What do you mean by poverty line?

দৰিদ্ৰতাৰ সীমাৰেখা বুলিলে কি বুজা ?

(j) Give the full form of HDI.

HDIৰ সম্পূৰ্ণ ৰূপটো লিখা ।





**2.** Answer the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) What is sustainable development?

বহনক্ষম উন্নয়ন কি ?

(b) Mention two indicators of economic development.

অৰ্থনৈতিক উন্নয়নৰ দুটা সূচক উল্লেখ কৰা ।

(c) Write two characteristics of underdeveloped economy.

অনুন্নত অৰ্থনীতিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

(d) Write two limitations of GDP as a measure of economic development.

অৰ্থনৈতিক উন্নয়নৰ মাপ হিচাপে মুঠ ঘৰুৱা উৎপাদনৰ (GDP)ৰ দুটা সীমাবদ্ধতা উল্লেখ কৰা ।

(e) Mention two causes of urbanization in India.

ভাৰতবৰ্ষত নগৰীকৰণৰ দুটা কাৰণ উল্লেখ কৰা ।

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Distinguish between economic growth and development.

অৰ্থনৈতিক বিকাশ আৰু উন্নয়নৰ পাৰ্থক্য লিখা।

(b) Write the differences between physical and human capital.

ভৌতিক মূলধন আৰু মানৱ মূলধনৰ পাৰ্থক্য লিখা।

(c) Discuss briefly the programs undertaken by the Government of India to eradicate the problem of unemployment.

ভাৰত চৰকাৰে নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহ চমুকৈ ব্যাখ্যা কৰা।

(d) Distinguish between absolute poverty and relative poverty.

চৰম দৰিদ্ৰতা আৰু আপেক্ষিক দৰিদ্ৰতাৰ পাৰ্থক্য লিখা।

(e) Discuss briefly the impact of globalization on Indian economy.

ভাৰতীয় অৰ্থনীতিত গোলকীকৰণৰ প্ৰভাৱ চমুকৈ লিখা।





(f) Discuss briefly the importance of service sector in Indian economy.

ভাৰতীয় অৰ্থনীতিত সেৱা খণ্ডৰ ভূমিকা চমুকৈ বৰ্ণনা কৰা।

4. Answer the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) What is meant by economic development? Discuss the factors affecting economic development. 2+8=10

অৰ্থনৈতিক উন্নয়ন বুলিলে কি বুজা? অৰ্থনৈতিক উন্নয়ন নিৰ্ধাৰণ কৰা উপাদানসমূহ ব্যাখ্যা কৰা।

*Or* / অথবা

Discuss the role of capital formation and technology in economic development. 10

অৰ্থনৈতিক উন্নয়নত মূলধন গঠন আৰু প্ৰযুক্তিবিদ্যাৰ ভূমিকা ব্যাখ্যা কৰা।

(b) Explain the relationship between population and economic development. 10

জনসংখ্যা আৰু অৰ্থনৈতিক উন্নয়নৰ সম্পৰ্ক ব্যাখ্যা কৰা।

*Or* / অথবা

Discuss the demographic trend of India after Independence.

স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ জনসংখ্যাৰ গতিধাৰা বৰ্ণনা কৰা।

(c) Discuss the occupational structure in organized and unorganized sectors in India. 10

ভাৰতবৰ্ষৰ সংগঠিত আৰু অসংগঠিত খণ্ডত জীৱিকাৰ গাঁথনি ব্যাখ্যা কৰা।

*Or* / অথবা

Explain the causes of unemployment problem in India.

ভাৰতৰ নিবনুৱা সমস্যাৰ কাৰণবোৰ ব্যাখ্যা কৰা।

(d) Explain briefly the role of monetary and fiscal policy in Indian economy. 10

ভাৰতীয় অৰ্থনীতিত মুদ্ৰানীতি আৰু ৰাজকোষীয় নীতিৰ ভূমিকা চমুকৈ ব্যাখ্যা কৰা।





*Or* / অথবা

Explain the Centre-State financial relations in India.

ভাৰতৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাজৰ বিত্তীয় সম্পৰ্ক ব্যাখ্যা কৰা।

★★★

**2021**

( Held in 2022 )

ECONOMICS

Paper : ECO–RE–5026

**( Money and Banking )**

( Regular Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following as directed : 1×10=10

তলত দিয়াবোবৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া :

(a) What is fiat money?

আদেশী মুদ্ৰা কি?

(b) According to $M_1$ measurement, money supply includes the following component :

$$M_1 = C + DD + OD$$

( Write True or False )

মুদ্ৰা যোগানৰ $M_1$ ধাৰণা মতে

$$M_1 = C + DD + OD$$

( সঁচা নে মিছা লিখা )

(c) Define capital market.

মূলধন বজাৰৰ সংজ্ঞা লিখা।

(d) When was the State Bank of India nationalized?

ভাৰতীয় ষ্টেট বেংক কেতিয়া ৰাষ্ট্ৰীয়কৃত কৰা হৈছিল?

(e) Mention any one instrument of money market.

মুদ্ৰা বজাৰৰ যি কোনো এটা আহিলাৰ নাম লিখা।

(f) Mention one feature of money.

মুদ্ৰাৰ এটা বৈশিষ্ট্য লিখা।

(g) What is bank rate?

বেংক হাৰ কি?

(h) What is meant by moral hazard?

নৈতিক বিপত্তি বুলিলে কি বুজা যায়?





(i) Which of the following is not correct?
তলৰ কোনটো সত্য নহয়?

(i) RBI was nationalized on January 1, 1935.
ভাৰতীয় ৰিজাৰ্ভ বেংক ১ জানুৱাৰী, ১৯৩৫ চনত ৰাষ্ট্ৰীয়কৃত কৰা হৈছিল।

(ii) RBI is the apex bank of India.
ভাৰতৰ শীৰ্ষ বেংক হ'ল ভাৰতীয় ৰিজাৰ্ভ বেংক।

(iii) RBI's headquarters is in Mumbai.
ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুখ্য কাৰ্যালয় মুম্বাইত।

(iv) Mr. Shaktikanta Das is present Governor of RBI.
শ্ৰী শক্তিকান্ত দাস ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বৰ্তমান গৰ্ভনৰ।

( Choose the correct option )
( শুদ্ধ বিকল্পটো বাছি উলিওৱা )

(j) Mention one item of the liability side of the Balance Sheet of a bank.
বেংকৰ সমতাপূৰ্ণ হিচাপৰ খতিয়ানৰ দেনাৰ তালিকাত থকা এটা উপাদানৰ নাম উল্লেখ কৰা।

**2.** Answer the following questions : 2×5=10
তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Write two functions of money.
মুদ্ৰাৰ দুটা কাৰ্য উল্লেখ কৰা।

(b) Mention two differences of money market and capital market.
মুদ্ৰা বজাৰ আৰু মূলধন বজাৰৰ দুটা পাৰ্থক্য লিখা।

(c) What are the components of money supply?

মুদ্ৰা যোগানৰ উপাদানবোৰ কি কি ?

(d) Why does interest rate differ? Mention two reasons.

সুদৰ হাৰৰ পাৰ্থক্য কিয় হয় ? দুটা কাৰণ লিখা ।

(e) What are the constituents of financial system?

বিত্তীয় ব্যৱস্থাৰ উপাদানবোৰ কি কি ?

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) What are the limitations of Fisher's equation of exchange of quantity theory of money.

মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ ফিছাৰৰ নগদ বিনিময় সমীকৰণৰ সীমাবদ্ধতাবোৰ কি কি ?

(b) Explain in brief the Balance Sheet approach to credit creation in banking system.

বেংক ব্যৱস্থাত ঋণ সৃষ্টিৰ সমতাপূৰ্ণ হিচাপৰ খতিয়ান ধাৰণাটো চমুকৈ বৰ্ণনা কৰা ।





(c) Briefly discuss the loanable fund theory of interest rate determination.

সুদৰ হাৰ নিৰ্ধাৰণৰ ঋণযোগ্য পুঁজি তত্ত্বটো চমুকৈ আলোচনা কৰা ।

*Or / অথবা*

Explain how demand for money arises as per liquidity preference theory of interest rate determination.

সুদৰ হাৰ নিৰ্ধাৰণৰ তাৰল্য পছন্দ তত্ত্ব মতে মুদ্ৰাৰ চাহিদা কেনেকৈ উদ্ভৱ হয়, বৰ্ণনা কৰা ।

(d) What is stock market? Explain its significance in modern economy.

ষ্টক বজাৰ কি ? আধুনিক অৰ্থনীতিত ষ্টক বজাৰৰ ভূমিকা বৰ্ণনা কৰা ।

(e) How does a Central Bank influence monetary management of an open economy?

মুক্ত অৰ্থনীতিৰ মৌদ্ৰিক পৰিচালনাত কেন্দ্ৰীয় বেংকে কিদৰে প্ৰভাৱ খটুৱাই, আলোচনা কৰা ।

*Or / অথবা*

What are the main characteristics of a developed money market?

এখন উন্নত মুদ্ৰা বজাৰৰ মুখ্য বৈশিষ্টবোৰ কি কি ?

*(f)* Write a short note on selective credit control methods of Central Bank.

কেন্দ্রীয় বেংকৰ বাছনিমূলক ঋণ নিয়ন্ত্রণ পদ্ধতি সম্পর্কে এটা চমু টোকা লিখা।

**4.** Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Critically examine the cash balance approach to the quantity theory of money.

মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ নগদ জমা বা ৰাহি ধাৰণাটোৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

*(b)* Explain in detail the functions of Central Bank.

কেন্দ্ৰীয় বেংকৰ কাৰ্যসমূহ বহলাই বৰ্ণনা কৰা।

*(c)* Mention elaborately the main objectives of monetary policy of a country.

এখন দেশৰ মুদ্ৰানীতিৰ মূল লক্ষ্যবোৰ বহলাই উল্লেখ কৰা।

*Or / অথবা*

Explain the objectives of the recent monetary policy of the Reserve Bank of India.

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ শেহতীয়া মুদ্ৰানীতিৰ মূল লক্ষ্যবোৰ বৰ্ণনা কৰা।





*(d)* Describe the various components of structure of banking system in India. Have you noticed any changes of structure in the system after economic reforms in India? 8+2=10

ভাৰতত বেংক ব্যৱস্থাৰ গাঁথনিৰ বিভিন্ন উপাদানবোৰ বৰ্ণনা কৰা। ভাৰতৰ আৰ্থিক সংস্কাৰৰ পৰৱৰ্তী কালত এই গাঁথনিৰ কিবা পৰিৱৰ্তন তুমি লক্ষ্য কৰিছানে?

*(e)* What are the main objectives of credit control of Central Bank? Are there any differences between quantitative and qualitative credit control measures of Central Bank? If yes, mention those differences. 5+5=10

কেন্দ্ৰীয় বেংকৰ ঋণ নিয়ন্ত্ৰণৰ মূল লক্ষ্যবোৰ কি কি? কেন্দ্ৰীয় বেংকৰ ঋণ নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা পৰিমাণমূলক আৰু বাছনিমূলক ঋণ নিয়ন্ত্ৰণ পদ্ধতিসমূহৰ মাজত কিবা পাৰ্থক্য আছেনে? যদি আছে, সেই পাৰ্থক্যবোৰ উল্লেখ কৰা।

*(f)* Write a note on portfolio management of a commercial bank. How does banking reforms of India help in portfolio management process of a commercial bank? 7+3=10

বাণিজ্যিক বেংকৰ পত্ৰাধাৰ পৰিচালনা সম্বন্ধে এটা টোকা লিখা। ভাৰতৰ বেংক সংস্কাৰ পদ্ধতিয়ে এটা বাণিজ্যিক বেংকৰ পত্ৰাধাৰ পৰিচালনাত কিদৰে সহায় কৰিছে?

(g) What are the main objectives of open market operations? Mention the conditions needed for the success of open market operation. 6+4=10

খোলা বজাৰ প্ৰক্ৰিয়াৰ মূল উদ্দেশ্যবোৰ কি কি? খোলা বজাৰ প্ৰক্ৰিয়াৰ কাৰ্যকাৰিতাৰ বাবে প্ৰয়োজনীয় অৱস্থাবোৰ উল্লেখ কৰা।

(h) Explain the functions of financial system. Why is financial system important for economic growth? Discuss. 5+5=10

বিত্তীয় ব্যৱস্থাৰ কাৰ্যসমূহ উল্লেখ কৰা। অৰ্থনৈতিক উন্নয়নৰ বাবে বিত্তীয় ব্যৱস্থা কিয় প্ৰয়োজনীয়? আলোচনা কৰা।

★★★

# 2021

( Held in 2022 )

## ECONOMICS

Paper : ECO–RE–5036

**( Environmental Economics )**

( Regular Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following questions : 1×10=10

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) What is environmental economics?

পৰিবেশীয় অৰ্থনীতি কি ?

(b) Define environmental crisis.

পৰিবেশীয় সংকটৰ সংজ্ঞা দিয়া।

(c) Is environment a public good?

পৰিবেশ ৰাজহুৱা সম্পদ হয়নে ?

(d) What is sustainable development?

বহনক্ষম উন্নয়ন কি ?

(e) Mention one evil effect of climate change.

জলবায়ু পৰিবৰ্তনৰ এটা কুপ্ৰভাৱ উল্লেখ কৰা ।

(f) Define market failure.

বজাৰ বিফলতাৰ সংজ্ঞা দিয়া ।

(g) What is property right?

সম্পত্তিৰ স্বত্ব বা অধিকাৰ কি ?

(h) What is externality?

বাহ্যিকতা কি ?

(i) Define ecology.

পৰিবেশতন্ত্ৰৰ সংজ্ঞা দিয়া ।

(j) What are public goods?

ৰাজহুৱা সামগ্ৰীবোৰ কি ?





2. Answer the following questions in short : 2×5=10

তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা :

(a) Distinguish between public good and private good.

ৰাজহুৱা সামগ্ৰী আৰু ব্যক্তিগত সামগ্ৰীৰ পাৰ্থক্য নিৰ্ণয় কৰা ।

(b) Mention two causes of climate change.

জলবায়ু পৰিবৰ্তনৰ দুটা কাৰণ উল্লেখ কৰা ।

(c) State two conditions of Pareto optimality.

পেৰাট'ৰ কাম্যতাৰ দুটা চৰ্ত উল্লেখ কৰা ।

(d) Define free riders problem.

মুক্ত আৰোহণৰ সমস্যাৰ সংজ্ঞা দিয়া ।

(e) What is biodiversity?

জৈৱ-বৈচিত্ৰ্য কি ?

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Explain the importance of studying environmental economics.

পৰিৱেশীয় অৰ্থবিজ্ঞান অধ্যয়নৰ গুৰুত্ব ব্যাখ্যা কৰা।

(b) Briefly discuss major environmental protection activities undertaken in your country.

তোমাৰ দেশত পৰিৱেশ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ কাৰ্যাৱলী সংক্ষিপ্তভাৱে আলোচনা কৰা।

(c) Explain the reasons for market failure for environmental goods.

পৰিৱেশীয় দ্ৰব্যৰ ক্ষেত্ৰত বজাৰ বিফলতাৰ কাৰণসমূহ ব্যাখ্যা কৰা।

(d) Discuss the implications of climate change.

জলবায়ু পৰিৱৰ্তনৰ পৰিণামসমূহ আলোচনা কৰা।





(e) Why is biodiversity important?

জৈৱ-বৈচিত্ৰ্য কিয় গুৰুত্বপূৰ্ণ?

(f) Draw a graph to show a negative production externality and explain it.

ঋণাত্মক উৎপাদন বাহ্যিকতা উপস্থাপনৰ বাবে এটা চিত্ৰ অংকন কৰা আৰু ইয়াক ব্যাখ্যা কৰা।

4. Answer the following questions : 10×4=40

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া :

(a) Give an example each of negative externality and positive externality. Does positive externality result market failure? Explain with example. 2+8=10

ধনাত্মক বাহ্যিকতা আৰু ঋণাত্মক বাহ্যিকতাৰ প্ৰতিটোৰ একোটাকৈ উদাহৰণ দিয়া। ধনাত্মক বাহ্যিকতাই বজাৰ বিফলতা সম্পন্ন কৰেনে? উদাহৰণসহ ব্যাখ্যা কৰা।

*Or / অথবা*

Explain the environmental impact of agricultural activities with example. 8+2=10

কৃষি-বিষয়ক উৎপাদন কাৰ্যাৱলীৰ পৰিৱেশীয় পৰিণাম সম্পৰ্কে উদাহৰণসহ ব্যাখ্যা আগবঢ়োৱা।

(b) Write a comprehensive note on Environment Impact Assessment. 10

পৰিবেশ প্ৰভাৱ মূল্যায়নৰ ওপৰত এটা ধাৰণামূলক টোকা লিখা।

*Or / অথবা*

Explain diagrammatically how the optimal level of pollution is determined. 10

কাম্য প্ৰদূষণ স্তৰ কিদৰে নিৰ্ধাৰণ হয়, চিত্ৰসহ ব্যাখ্যা কৰা।

(c) Explain the various measurements of sustainable development. 10

বহনক্ষম উন্নয়নৰ বিভিন্ন পৰিমাপসমূহ ব্যাখ্যা কৰা।

*Or / অথবা*

Discuss sustainable development from Indian perspective. 10

ভাৰতৰ প্ৰেক্ষাপটত বহনক্ষম উন্নয়ন আলোচনা কৰা।

(d) Explain Pareto optimality with the help of diagram. 10

চিত্ৰৰ সহায়ত পেৰাট'ৰ কাম্যতা ব্যাখ্যা কৰা।





*Or / অথবা*

Discuss the role of Pigouvian taxes and tradable permits as instruments to control pollution. 5+5=10

প্ৰদূষণ নিয়ন্ত্ৰণৰ আহিলা হিচাপে পিগুৰ কৰ ব্যৱস্থা আৰু বাণিজ্যিকৃত অনুমতিৰ ভূমিকা আলোচনা কৰা।

★★★

# 2 0 2 1

( Held in 2022 )

# ECONOMICS

Paper : ECO–SE–5014

**( Techniques and Application )**

( Skill Enhancement )

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer the following as directed : 1×5=5

তলত দিয়াবোবৰ নির্দেশানুযায়ী উত্তৰ দিয়া :

*(a)* A person who provides information is called _____.

( Fill in the blank )

তথ্য দিওতা ব্যক্তি এজনক কোৱা হয় _____ ।

( খালী ঠাই পূৰ কৰা )

*(b)* What is pilot survey?

নিদৰ্শক সমীক্ষা কি ?

*(c)* What are the various types of data?

বিভিন্ন প্ৰকাৰৰ তথ্যসমূহ কি কি ?

(d) Continuous data can be suitably represented by graph and diagram.
( Write True or False )
বিৰামহীন তথ্য লেখ আৰু চিত্ৰৰে ধুনীয়াকৈ উপস্থাপন কৰিব পাৰি।
( সত্য নে অসত্য লিখা )

(e) Give one example each of sample and population.
নমুনা আৰু সমষ্টিৰ একোটাকৈ উদাহৰণ দিয়া।

**2.** Answer the following questions : 2×3=6

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Define continuous and discrete variables.
অবিচ্ছিন্ন আৰু বিচ্ছিন্ন চলকৰ সংজ্ঞা দিয়া।

(b) What type of questions can be put in a questionnaire?
প্ৰশ্নাৱলী এখনত কেনেধৰণৰ প্ৰশ্ন সন্নিৱিষ্ট কৰিব পাৰি ?

(c) What are the two types of secondary data?
গৌণ তথ্য দুবিধ কি কি ?

**3.** Answer any *three* of the following questions : 5×3=15

তলৰ প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) Explain briefly the methods of collecting primary data.
প্ৰাথমিক তথ্য সংগ্ৰহৰ পদ্ধতিসমূহ চমুকৈ ব্যাখ্যা কৰা।





(b) What are the precautions to be taken in the use of secondary data?
গৌণ তথ্যসমূহ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতাসমূহ কি কি ?

(c) Distinguish between primary data and secondary data.
প্ৰাথমিক তথ্য আৰু গৌণ তথ্যৰ মাজত থকা পাৰ্থক্যসমূহ লিখা।

(d) Explain the various types of sampling method.
বিভিন্ন প্ৰকাৰৰ নমুনা বা প্ৰতিচয়ন লোৱা পদ্ধতিসমূহ বৰ্ণনা কৰা।

(e) Describe briefly the structure of a project or field survey report.
এটা প্ৰকল্প বা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ প্ৰতিবেদনৰ গাঁথনিৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।

**4.** Answer any *three* of the following questions : 8×3=24

তলৰ প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) What is field survey? Explain its importance in socio-economic problem analysis. 2+6=8
ক্ষেত্ৰভিত্তিক পৰিদৰ্শন বা অধ্যয়ন কি ? এটা আৰ্থ-সামাজিক সমস্যা বিশ্লেষণত ইয়াৰ প্ৰয়োজনীয়তা সম্বন্ধে আলোচনা কৰা।

(b) What is questionnaire? Prepare a questionnaire for a case study where field survey is required. 3+5=8

প্ৰশ্নাৱলী কি? ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে প্ৰয়োজনীয় প্ৰকল্প এটাৰ বাবে প্ৰশ্নাৱলী এখন যুগুত কৰা।

(c) Discuss elaborately the advantages and disadvantages of focus group discussion. 8

নিৰ্দিষ্ট দলগত আলোচনাৰ সুবিধা আৰু অসুবিধা সম্পৰ্কে বহলাই আলোচনা কৰা।

(d) Write a note on need for empirical and quantitative analysis in economics. 8

অৰ্থনীতিত অভিজ্ঞতালব্ধ আৰু সংখ্যাগত বিশ্লেষণৰ প্ৰয়োজনীয়তা সম্বন্ধে এটি টোকা লিখা।

(e) What is direct personal interview? What are the precautions need to be taken in direct personal interview method of data collection? 3+5=8

প্ৰত্যক্ষ ব্যক্তিগত অনুসন্ধান বা সাক্ষাৎকাৰ কি? তথ্য সংগ্ৰহৰ বাবে প্ৰত্যক্ষ ব্যক্তিগত অনুসন্ধান বা সাক্ষাৎকাৰ পদ্ধতিৰ বাবে ল'বলগীয়া সাৱধানতাবোৰ কি কি?

★★★